# ননী বৰদলৈৰ কবিতা

**আপুনি এজন নিজঞ্জাল মানুহ**

হাতত মোনাটো লৈ আপুনি বজাৰলৈ ওলাই গৈছে
নিৰ্জন পথটোত আপোনাৰ সন্মুখতে
এজন বয়স্ক লোকক হঠাত অহা
এখন তীব্ৰ বেগী বাহনে খুন্দিয়াই গুচি গ’ল
যন্ত্ৰণাত কাতৰ মানুহজন
নিৰন্তৰ সহায়ৰ বাবে চিৎকাৰ কৰিছে
একো যেন   নাই দেখা আপুনি
কাষেদি পাৰ হৈ যাওক
কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিব
কি দৰকাৰ এটা জঞ্জাল চপাই লোৱাৰ
আপুনি এজন নিজঞ্জাল মানুহ!

আপোনাৰ ঘৰৰ কাষৰে মানুহ
পুৱা শুই উঠিয়েই যাৰ মুখ সততে আপুনি দেখা পায়
এক অবৰ্ণনীয় বিপদত পৰা সেই মানুহজনে
আপোনাক   চিঞৰি চিঞৰি কিবা কৈছে
হয়তো আপোনাৰ সহায় ভিক্ষা কৰিছে
আপুনি বাটৰ কচু গাত ঘহি লোৱা মানুহ নহয়
নুশুনাৰ ভাও জুৰি আপুনি আঁতৰি যাওক
কোনো দৰকাৰ নাই সেই জঞ্জালত সোমোৱাৰ
আপুনি এজন নিজঞ্জাল মানুহ!

গধূলিয়ে জাল পেলোৱা কাণিমুনি বেলিকা
সুস্বাস্থ্যৰ বাবে অলপ বাট ফুৰাৰ সময়
মেদ কমোৱাৰ সময়
আপুনিও ওলাই গৈছে
অলপ আন্ধাৰ অলপ পোহৰৰ আৱৰণ ফালি
আপোনাৰ ওচৰলৈ দৌৰি আহিছে এটা দৃশ্য
এটা অসহায় চিঞৰ
বাটৰ কাষত কেইজনমান উদণ্ডই
এজনী অসহায় গাভৰুক আমনি কৰিছে
গাভৰুৰ কাতৰ আৰ্তনাদ
আপোনাৰ কাণত পৰিছে
আপুনি নাচাব, আপুনি নুশুনিব
নিৰ্লিপ্তভাবে আপুনি আঁতৰি আহিব
এইবোৰ জঞ্জালত সোমাই লাভ নাই
আপুনি এজন নিজঞ্জাল মানুহ!

সান্ধ্যভ্ৰমণৰ পৰা উভতি আহি আপুনি ঘৰ সোমাইছেহি
ঘৰত এক হুলস্থূলীয়া পৰিৱেশ
কন্দা-কটা , চিঞৰ-বাখৰ

আপোনাৰ গাভৰু জীয়ৰী
সন্ধিয়া বাটত বলাৎকাৰৰ চিকাৰ হৈছে
তাই চিঞৰিছিল

এতিয়াও তাই চিঞৰি আছে
সেই একেই বাটত শুনা চিঞৰটোৰ দৰে

আপুনি নুশুনাৰ ভাও ধৰিব
নে নজনাৰ ভাও ধৰিব
নে নেদেখাৰ ভাও ধৰিব
কি কৰিব আপুনি
কাৰণ আপুনি জঞ্জাল ভাল নাপায়
এজন নিজঞ্জাল মানুহ আপুনি!

**বিপ্লৱ নাম তেওঁৰ**

ঠাইটুকুৰা তেওঁৰ নিগাজি
বাটটোৰ কাষৰ সেই ঠাইখিনিত বহা
আজিলৈকে অন্য কাকো দেখা নাই
বিপ্লৱ, নাম তেওঁৰ বিপ্লৱ
শৰীৰ নহয়, এটা শিল
বোঁৱতী সময়ক কেৰেপ নকৰা
ঠিক যেন পাহাৰীয়া নদীৰ সোঁতকো নেওচি
স্থিতপ্ৰজ্ঞ সেই প্ৰকাণ্ড শিলটো
কুচিয়াৰ গাটোৰ দৰে গাৰ ৰং
মুখাৱয়ৱত এক ক্লান্ত সন্তুষ্টিৰ পোহৰ
গা ঢাকিবলৈ শতচ্ছিন্ন বনিয়নটো
জাৰত যেনে, তপ্ত নিদাঘতো তেনে
সন্মুখত কেইপোণমান তামোল
চাৰিগুচিমান পাণ
কেইআশিমান দৰৰ নিদিয়া পকা কল
লগত বতৰে কোবাই যোৱা বিবৰ্ণ ছাতিটো
ৰ’দ-বৰষুণৰপৰা
নিজক ৰক্ষা কৰিবলৈ নহয়
গ্ৰাহকৰ প্ৰয়োজনক ৰক্ষা কৰিবৰ বাবেহে
যেন ছাতিটোৰ প্ৰয়োজন
মানুহক ঠগি ধন ঘটিব লাগে বুলি
বিপ্লৱে কাহানিও ভবা নাই
(যিটো সাম্প্ৰতিক সৰহ ভাগৰে
একোটা বদ্ধপৰিকৰ ধাৰণা)
সেয়ে বিপ্লৱে
গ্ৰাহকলৈ বাট চাব নালাগে
গ্ৰাহকে বাট চাই বিপ্লৱৰ অহালৈ
যেন বিপ্লৱ এটা
প্ৰয়োজনীয় অপেক্ষাৰ নাম ।

আজি কেইবাদিনৰে পৰা
ঠাইডোখৰ শূন্যতা এটাই দখল কৰিছে
বিপ্লৱ অহা নাই
বিপ্লৱৰ একো খবৰ নাই
কলৈ গ'ল বিপ্লৱ
কোনোবাই বিচাৰি যাবনে বিপ্লৱক
ঠাইডোখৰ শূন্য হৈয়েই ৰ'ব নেকি বাৰু
আন এজন বিপ্লৱ নহালৈকে!